দিনাংক - ২০ এপ্ৰিল, ২০১৪

**অভিযানসূচী - ২০/৪/২০১৪**

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দলৰ নেতা

লোকপলৰ নিযুক্তিৰ বিতৰ্কৰ অৱসানৰ নামেই নোহোৱা হৈছে । ইউ পি এ চৰকাৰে লোকপাল বিলৰ অন্তৰ্গত কিছুমান নীতি প্ৰস্তুত কৰিছে । প্ৰস্তুত কৰা নীতি প্ৰাইমা ফেচী লোকপাল বিধেয়কৰ বিৰুদ্ধে দেখা গৈছে । এইয়া ইতিমধ্যে উচ্চতম ন্যায়লয়ৰ সন্মূখত প্ৰত্যাহৱানৰ বিষয় হৈ পৰিছে ।

নিৰ্বাচনৰ ঘোষণাৰ মুহুৰ্ত্তত, এতিয়া ইউ পি এ চৰকাৰে চেয়াৰপাৰচন আৰু ইয়াৰ সদস্যসকলৰ নিযুক্তিৰ বাবে দৌৰা-দৌৰি কৰিছে । নিৰ্বাচনী কমিটিও অতি ল'ৰা-ল'ৰিকৈ নিযুক্তি দিয়া হ'ল । ব্যক্তিগত বিভাগে চাৰ্চ কমিটিৰ ক্ষমতাৰ ওপৰত হস্তক্ষেপ কৰি এখন তালিকা প্ৰস্তুত কৰিছে যাক নিযুক্তি দিয়া হ'ব । এই চাৰ্চ কমিটিৰ বিশেষ কিছু সদস্যৰ সৈতে সকলোৱেই গোটেই প্ৰক্ৰিয়াটোক লৈ অস্বস্তিবোধ কৰিছে । এইবোৰ কাৰণৰ বাবেই চাৰ্চ কমিটিৰ দুজন বিশেষ সদস্য ফালি এচ নাৰিমান আৰু ন্যায়ধীশ কে টি থ'মাচে পদত্যাগ কৰিলে ।

বৰ্ত্তমান সম্পূৰ্ণ সদস্যৰে সৈতে চাৰ্চ কমিটি নাই । চাৰ্চ কমিটিৰ গঠন হোৱাৰ পাছত নিযুক্তিৰ বাবে যিবোৰ নাম  দিয়া হৈছিল, তাৰ নীৰিক্ষন হ'ব লাগিছিল । তাৰ পাছতহে চাৰ্চ কমিটিয়ে সেইনামবোৰৰ সঠিকতা চাই ৰাষ্ট্ৰপতিলৈ পঠিয়াব লাগিছিল ।

সমগ্ৰ দেশতে নিৰ্বাচনৰ আধা পৰ্য্যায়ৰ সমাপ্তি ঘটিল । ফলাফল ঘোষণাৰ বাবে আৰু নতুন চৰকাৰ গঠনৰ বাবে মাত্ৰ ২৬ দিন বাকী । তেনেহ'লে এই নিৰ্বাচনীৰ সময়ত, লোকপালৰ নিযুক্তিক লৈ দৌৰা-দৌৰি কৰাতো ইউ পি চৰকাৰৰ বাবে উচিত হৈছেনে ? নিশ্চয় নাইহোৱা ।

যদি ইউ পি এ চৰকাৰে এই সময়ত নিযুক্তিৰ বাবে হেতা-ওপৰা কৰে, তেনেহ'লে এইয়া ৰাজনীতিৰ বাবে অশালীন আৰু ক'ড অফ কনডাক্টৰ উলংঘন কৰা হ'ব । ইয়াৰ ওপৰিত সমগ্ৰ প্ৰক্ৰিয়াটো আইনী সন্দেহৰ আৱৰ্ত্তত থাকিব । এনে ধৰণৰ কাৰ্য্যকলাপে লোকপালৰ গঠনৰ আগতেই ইয়াৰ গুৰুত্বতাক ধংস কৰিব । সমগ্ৰ

প্ৰক্ৰিয়াটো লগে লগে ৰোধ কৰিব লাগিব । চাৰ্চ কমিটিৰ খালি পদসমূহ ভৰ্ত্তি হোৱাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীৰ কাৰ্য্যালয়ে চিলেকচন কমিটিৰ যি সভা আহ্বান কৰিব লগিছিল সেইয়া এতিয়া সফল নহ'ব ।

অৱসৰ লোৱাৰ আগমুহূৰ্ত্তত ডঃ মনমোহন সিঙে গভীৰ ভাৱে আত্মমন্থন কৰিব লাগিব যে তেওঁ কি দ্বৰে লোকপাল কাৰ্য্যকৰী কৰোৱাইছিল । তেওঁক এনে এজন প্ৰধানমন্ত্ৰী হিচাপে মনত থাকিব যিজনে দলীয় নেতৃৰ মতে নিজৰ কাৰ্য্যালয় চলাইছিল । এতিয়াও তেওঁ যদি নিজৰ প্ৰতিষ্ঠানৰ গৰিমা ৰক্ষা কৰিব'লৈ বিচাৰে, তেওঁক কিন্তু আমাৰ গণতান্ত্ৰিক ব্যৱস্থাই ইয়াৰ অনুমতি নিদিয়ে । প্ৰধানমন্ত্ৰীৰ বিশ্বাস হেৰুৱাৰ বাহিৰে আন একো হেৰুৱাব'লৈ নাই ।